# 2020

## ASSAMESE

( Major )

Paper : 6.1

*Full Marks* : 60

*Time* : 3 hours

Central Library ☆ Salbari college, Salbari ☆ Estd. 1983

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৭=৭

(ক) প্ৰথম অসমীয়া ঐতিহাসিক নাটকখনৰ নাম কি?

(খ) 'কুকুৰীকণাৰ আঠমঙ্গলা' নাটকখন কাৰ ৰচনা?

(গ) পৌৰাণিক কাহিনীৰ আধাৰত ৰচিত জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকখনৰ নাম লিখা।

(ঘ) পিয়লি বৰুৱাৰ গাত তপত লোহা লগাই শাস্তি দিয়া দাৰোগাগৰাকী কোন আছিল?

(ঙ) 'হেংদাং' নাটকৰ নামৰূপীয়া ৰজাজনৰ নাম কি আছিল?

(চ) মণিমুগ্ধই ৰুকমী ৰাজ্য পুৰি চাৰখাৰ কৰা বুলি ৰুকমী ৰজাক কোনে খবৰ দিছিল?

(ছ) তুৰ্বকৰ জীয়ৰীগৰাকীৰ নাম কি আছিল?

২×৪=৮

২। চমুকৈ উত্তৰ দিয়া :

(ক) অসমীয়া সাহিত্যৰ এখন এবচার্ডধর্মী নাটকৰ নাম নাট্যকাৰসহ উল্লেখ কৰা।

(খ) 'ৰূপালীম' নাটকত ৰূকমী জাতিৰ পৰিচয় নাট্যকাৰে কি বুলি উল্লেখ কৰিছে? এই জাতিৰ সভ্যতা ভাৰতবৰ্ষৰ কোনখন ৰাজ্যৰ লগত ৰিজাব পাৰি বুলি কোৱা হৈছে?

(গ) "তুমি সাপৰ গাঁতত হাত সুমুৱাইছা। তোমাকো সাৱধান কৰি দিলোঁ।" উক্ত কথাষাৰ কোনে, কাৰ আগত ব্যক্ত কৰিছে?

(ঘ) 'হেংদাং' নাটকত বুৰঞ্জী-প্ৰসিদ্ধ কোন দুখন ৰণৰ ঘটনাই স্থান লাভ কৰিছে?

৫×৩=১৫

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা :

(ক) লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা ধেমেলীয়া নাটৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।

(খ) "ঢোল বজাবৰ হ'ল! কোনে বজাব?? অসমীয়াই?? আজিৰ অসমীয়াৰ কঁকাল চিঞা পৰিছে—টঙালি সুলকি যায়—চুৰিয়া পিন্ধিব নেজানে—ৰণ কৰিবলৈ গৈ পোন্ধ সুলকি যায়।" 'হেংদাং' নাটত এই কথাষাৰ মূলাগাভৰুৱে কি প্ৰসংগত উল্লেখ কৰিছে, বৰ্ণনা কৰা।

(গ) মণিৰাম দেৱানক ফুলকুমাৰীয়ে কিদৰে সহায় আগবঢ়াইছিল, বুজাই লিখা।

(ঘ) 'ৰূপালীম' নাটকত চিত্ৰিত তোমাৰ ভাল লগা চৰিত্ৰটো কি? কাৰণ দৰ্শাই চমুকৈ আলোচনা কৰা।

(ঙ) 'বুৰঞ্জীমূলক নাটক' সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।





১০×৩=৩০

৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা :

(ক) স্বাধীনোত্তৰ কালৰ অসমীয়া নাটকৰ বিষয়বস্তু আৰু কলাকৌশল সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা।

(খ) 'ৰূপালীম' নাটকত বিদেশী নাটকৰ প্ৰভাৱ সম্পৰ্কে বহলাই আলোচনা কৰা।

(গ) 'মণিৰাম দেৱান' নাটৰ ভাষা আৰু সংলাপ সম্বন্ধে এটি আলোচনা যুগুত কৰা।

(ঘ) 'হেংদাং' নাটকত সমকালীন সমাজ জীৱনৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে, উদাহৰণসহ বিশ্লেষণ কৰা।

(ঙ) অসমীয়া নাট্যজগতত জ্যোতিপ্ৰসাদ আগৰৱালাৰ বৰঙণিৰ বিষয়ে এটি পৰ্যালোচনা আগবঢ়োৱা।

(চ) 'মণিৰাম দেৱান' নাটকৰ মাজেৰে মণিৰাম দেৱান আৰু পিয়লি বৰুৱাৰ দেশপ্ৰেমৰ চানেকি নাট্যকাৰে কিদৰে ফুটাই তুলিছে, বহলাই আলোচনা কৰা।

★★★

# 2020

## ASSAMESE

( Major )

Paper : 6.2

*Full Marks* : 60

*Time* : 3 hours

Central Library
Baksa
Pin-781320
Estd. 1983
Salbari college, Salbari

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৭=৭

(ক) হেমচন্দ্ৰ বৰুৱাৰ পিতৃ মুক্তাৰাম বৰুৱা কোনটো মৌজাৰ মৌজাদাৰ হৈছিল ?

(খ) মহাপুৰুষীয়া ধৰ্মৰ লোকসকলৰ মতে কেইখানি ৰাজ্যত দুজনা গুৰুৰ লীলা ?

(গ) গদ্য ৰচনাৰ এটা প্ৰধান গুণ উল্লেখ কৰা।

(ঘ) ৰত্নোদধি কি ?

(ঙ) 'আমিয়েলৰ অন্তঃপ্ৰাণৰ ডায়েৰী'ৰ পাতনি কোনে লিখিছিল ?

(চ) 'আসাম বন্ধু' কাৰ সম্পাদনাত প্ৰকাশ হৈছিল ?

(ছ) লেখক লম্বোদৰ বৰাৰ মতে আনন্দৰাম বৰুৱা কাৰ বৰপুত্ৰ ?



Scanned with OKEN Scanner

২। চমুকৈ উত্তৰ দিয়া : ২×৪=৮

(ক) "স্বৰ্গপ্ৰাপ্তিৰ নিমিত্তে তীৰ্থ দৰ্শন, এতেকে স্বৰ্গতকৈও যি গৰীয়সী, সি মহাতীৰ্থ।" কি প্ৰসংগত লেখকে উক্ত কথাষাৰ কৈছিল?

(খ) প্ৰাচীন ভাৰতবৰ্ষত থকা দুখন বিশ্ববিদ্যালয়ৰ নাম লিখা।

(গ) সৌন্দৰ্যবোধ যে সদায় সম্বন্ধবাচক, যি কোনো এটা উদাহৰণেৰে বুজাই লিখা।

(ঘ) ভূমাস্পৃহা মানে কি?

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) হেমচন্দ্ৰ বৰুৱাই কেনেধৰণৰ প্ৰত্যাহ্বানৰ মাজেদি বিদ্যা আহৰণ কৰিছিল, 'আত্মজীৱন চৰিত'ৰ আধাৰত চমুকৈ লিখা।

(খ) 'ব্ৰহ্ম সচ্চিদানন্দ' বুলি কিয় কোৱা হয়, ব্যাখ্যা কৰা।

(গ) মানুহৰ আধ্যাত্মিক সৌন্দৰ্যই কোনবোৰ দিশ সাঙুৰি লয়, চমুকৈ লিখা।

(ঘ) প্ৰথম অসমীয়া আধুনিক নাটক হিচাপে 'ৰাম নৱমী' নাটকৰ দুৰ্বল দিশবোৰ কি কি?

(ঙ) "মানুহ-জীৱনৰ আৰ্হি অব্যৰ্থ বীজ, সি সকলো ঠাইতে গজে।" কথাষাৰ বুজাই লিখা।





৪। (ক) গুণাভিৰাম বৰুৱাই 'সৌমাৰ ভ্ৰমণ' পাঠত অসম দেশৰ প্ৰাচীন গৌৰৱময় ঐতিহ্যৰ বিষয়ে কিদৰে বৰ্ণনা কৰিছে, বহলাই লিখা। ১০

*অথবা*

(খ) ঊনবিংশ শতিকাৰ অসমীয়া সাহিত্যৰ বিকাশত হেমচন্দ্ৰ বৰুৱাৰ অৱদানৰ বিষয়ে আলোকপাত কৰি এটি প্ৰবন্ধ যুগুত কৰা।

৫। (ক) আনন্দৰাম বৰুৱাৰ ব্যক্তিত্বৰ বিভিন্ন দিশসমূহ উল্লেখ কৰি কি কি কাৰণত তেওঁক অসমৰ আচল বন্ধু বুলিব পাৰি, যুক্তি দাঙি ধৰা। ১০

*অথবা*

(খ) 'শ্ৰীকৃষ্ণতত্ত্ব' পাঠটো লক্ষ্মীনাথ বেজবৰুৱাৰ তত্ত্বমূলক ৰচনাৰ শাৰীত কিয় অন্তৰ্ভুক্ত কৰা হৈছে? এই সম্পৰ্কে তোমাৰ মতামত দাঙি ধৰি পাঠটোৰ জৰিয়তে লেখকৰ বক্তব্য-বিষয়ৰ আভাস দিয়া।

৬। (ক) "সৌন্দৰ্যৰ স্থিতি নাই, ব্যাপ্তিহে আছে।" নীলমণি ফুকনৰ এই উক্তিৰ তাৎপৰ্য বিচাৰ কৰা। ১০

*অথবা*

(খ) গুণাভিৰামৰ 'ৰাম নৱমী' নাটকত বিধৱা-বিবাহ সংস্কাৰ আন্দোলনৰ প্ৰভাৱ সম্পৰ্কে চমুকৈ লিখা।

★★★



Scanned with OKEN Scanner

**2020**

ASSAMESE

( Major )

Paper : 6.3

Central Library
Baksa
Pin-781320
Estd. 1983
Salbari college, Salbari

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৭=৭

(ক) 'ভানুমতী' উপন্যাসখনৰ লিখক কোন?

(খ) কোনখন আলোচনীত প্ৰথম অসমীয়া চুটিগল্প প্ৰকাশ হৈছিল?

(গ) হিন্দী সাহিত্যৰ প্ৰথমখন উপন্যাসৰ নাম লিখা।

(ঘ) বাংলাভাষাৰ চুটিগল্পৰ প্ৰতিষ্ঠাতা বুলি কাক গণ্য কৰা হয়?

(ঙ) মানিক বন্দ্যোপাধ্যায় ৰচিত প্ৰথমখন উপন্যাসৰ নাম লিখা।

(চ) চাকৰিত যোগদান কৰিয়েই পোষ্টমাষ্টৰ কোনখন গাঁৰলৈ যাবলগীয়া হৈছিল?

(ছ) মেৰীগঞ্জৰ পুৰণি নাম কি আছিল?



Scanned with OKEN Scanner

২। চমু উত্তৰ লিখা : ২×৪=৮

(ক) কুবেৰৰ পত্নীৰ নাম কি আৰু ল'ৰা-ছোৱালী কেইটা?

(খ) মাধৱৰ পত্নীৰ মৃত্যুৰ পিছত গাঁৱৰ জমিদাৰে ঘীসু আৰু মাধৱক কেইটকা দিছিল? এঘণ্টাৰ ভিতৰত ঘীসুৰ হাতত কেইটকা জমা হ'ল?

(গ) মেৰীগঞ্জ গাঁৱৰ মঠৰ দুজন পূজাৰীৰ নাম লিখা।

(ঘ) গুৱাৰ (গোৱাল) চুবুৰীৰ যাদৱসকলৰ মুখিয়াল ব্যক্তিজনৰ নাম কি? তেওঁক হেয় দেখুৱাবলৈ ৰামকৃপাল সিংহই কাৰ লগত শঠা-মিতিৰালি পাতিছিল?

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) আঞ্চলিক উপন্যাসৰ পাঁচটা বিশেষত্ব লিখা।

(খ) পোষ্টমাষ্টৰ চৰিত্ৰটো বিশ্লেষণ কৰা।

(গ) মেৰীগঞ্জৰ প্ৰাকৃতিক পৰিৱেশৰ বিৱৰণ দিয়া।

(ঘ) মাৰ্টিন চাহাবৰ বিষয়ে লিখা।

(ঙ) 'কফন' গল্পৰ আধাৰত প্ৰেমচন্দৰ গল্পৰ বিশেষত্ববোৰ লিখা।





৪। (ক) হিন্দী সাহিত্যৰ ছায়াবাদী ধাৰাৰ বৈশিষ্ট্যবোৰ আলোচনা কৰা। ১০

অথবা

(খ) 'পদ্মা নদীৰ মাঝি' উপন্যাসৰ চৰিত্ৰ-চিত্ৰণ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

৫। (ক) এলাহ আৰু নিচাগ্ৰস্ততাই মানবীয়তাক গ্ৰাস কৰাৰ ছবি 'কফন'ত কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

অথবা

(খ) 'কফন'ত দৰিদ্ৰতাৰ কালৰূপ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

৬। (ক) 'ময়লা আঁচল' উপন্যাসত গ্ৰাম্য ভাৰতৰ চিত্ৰ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

অথবা

(খ) 'ময়লা আঁচল' উপন্যাসত উল্লেখ থকা জাতিভেদ, ধৰ্মীয় ব্যভিচাৰ আৰু অন্ধবিশ্বাস-কুসংস্কাৰৰ বিৱৰণ দিয়া।

★★★

**2020**

# ASSAMESE

( Major )

Paper : 6.4

*Full Marks* : 60

*Time* : 3 hours

Central Library
Baksa
Pin-781320
Estd. 1983
Salbari college, Salbari

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×৭=৭

(ক) অসমীয়া সাহিত্যলৈ চুটিগল্প কোন যুগৰ অৰদান ?

(খ) 'আৱাহন' আলোচনীখনৰ পৃষ্ঠপোষক কোন আছিল ?

(গ) 'অশান্ত ইলেক্ট্ৰন', 'বীণা কুটীৰ' আৰু 'এহাত ডাবা' আদি চুটিগল্প কোনে ৰচনা কৰিছিল ?

(ঘ) 'অঘৰী আত্মাৰ কাহিনী' উপন্যাসৰ ৰচয়িতা কোন ?

(ঙ) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যই কোনখন উপন্যাস ভাৰতৰ স্বাধীনতা আন্দোলনৰ পটভূমিত ৰচনা কৰিছিল ?

(চ) 'অন্তৰীপ' আৰু 'ৰম্যভূমি' উপন্যাসৰ ৰচয়িতা কোন ?

(ছ) 'দেওলাংখুই' উপন্যাসত কোনটো জনগোষ্ঠীৰ কথা বৰ্ণিত হৈছে ?

Central Library
Baksa
Pin-781320
Estd 1983
Salbari College

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) লক্ষ্মীনন্দন বৰাই ৰচনা কৰা দুখন চুটিগল্প সংকলনৰ নাম লিখা।

(খ) 'চিৰাজ' আৰু 'কাঠফুলা' গল্প দুটা কোনে কোনে ৰচনা কৰিছিল?

(গ) প্ৰথম অসমীয়া উপন্যাসখনৰ নাম কি? উপন্যাসখন কেতিয়া প্ৰকাশ পাইছিল?

(ঘ) য়েচে দৰজে ঠংচিয়ে ৰচনা কৰা দুখন উপন্যাসৰ নাম লিখা।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) 'ব্যৰ্থতাৰ দান' গল্পৰ মাজেৰে আদৰ্শ প্ৰেমৰ স্বৰূপ কিদৰে ফুটি ওলাইছে, আলোচনা কৰা।

(খ) 'সখা দামোদৰ' গল্পৰ মাজেৰে গৰু আৰু খেতিয়কৰ সম্বন্ধ কিদৰে ফুটি ওলাইছে, বৰ্ণনা কৰা।

(গ) "চোতালৰ ধোঁৱা বৰণীয়া পলসুৱা কোমল মাটিত পাভমাছ যেন লগা সেই ভৰি দুটি—পৰি সেৱা কৰিবৰ মন যায়।" বাক্যটোত কাৰ ভৰিৰ কথা উল্লেখ কৰা হৈছে? সেই ভৰিত কাৰ, কিয় সেৱা কৰিবৰ মন যায়?

(ঘ) 'মামৰে ধৰা তৰোৱাল' উপন্যাসৰ মাজেৰে ক্ষুধা আৰু দাৰিদ্ৰ্যৰ ছবি কিদৰে ফুটি ওলাইছে, আলোচনা কৰা।

(ঙ) অসমীয়া ঐতিহাসিক উপন্যাসলৈ ৰজনীকান্ত বৰদলৈৰ অৱদান সম্পৰ্কে চমুকৈ লিখা।





৪। (ক) আৱাহন যুগৰ চুটিগল্প সম্বন্ধে এটি আলোচনা যুগুত কৰা। ১০

*অথবা*

(খ) প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া উপন্যাস সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

৫। (ক) 'ব্যৰ্থতাৰ দান' গল্পৰ আধাৰত লিলি আৰু ললিতৰ চৰিত্ৰ পৰ্যালোচনা কৰা। ১০

*অথবা*

(খ) দিবাকৰৰ জীৱনলৈ অহা নাৰীৰ সংস্পৰ্শই দিবাকৰৰ জীৱনত কেনেকুৱা প্ৰভাৱ পেলাইছে, আলোচনা কৰা।

৬। (ক) "মামণি ৰয়চম গোস্বামী মূলতঃ মানৱতাবাদী লেখিকা।" তোমাৰ পাঠ্যৰ অন্তৰ্গত উপন্যাসৰ আধাৰত কথাষাৰ বিচাৰ কৰা। ১০

*অথবা*

(খ) 'মামৰে ধৰা তৰোৱাল'ত বৰ্ণিত শ্ৰমিকৰ ধৰ্মঘট আৰু তাৰ ফলাফল সম্বন্ধে আলোচনা কৰা।

★★★



Scanned with OKEN Scanner

# 2020

## ASSAMESE

## ( Major )

Paper : 6.6

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

Central Library ✩ Salbari College, Baksa Pin-781320 Estd. 1983 ✩ Salbari

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৭=৭

(ক) *A Course in Modern Linguistics* শীৰ্ষক গ্ৰন্থখনৰ লেখক কোন?

(খ) লেটিন ভাষাত 'lingua' শব্দৰ অৰ্থ কি?

(গ) ভাষাবিজ্ঞানৰ কোনটো শাখাক কালক্ৰমিক ভাষাবিজ্ঞান (Diachromic linguistics)ৰ সৈতে ৰিজাব পাৰি?

(ঘ) ধ্বনিবিজ্ঞানৰ প্ৰধান ভাগ কেইটা?

(ঙ) সংস্কৃত 'মৃগ' শব্দই প্ৰথমতে সকলো পশুকে বুজাইছিল যদিও পাছলৈ এবিধ বিশেষ পশু হৰিণক বুজাবলৈ ধৰিলে—শব্দাৰ্থ পৰিৱৰ্তনৰ ত্ৰিধাৰাত এই পৰিৱৰ্তনক কি বুলি কোৱা হয়?

(চ) ভাষাৰ আটাইতকৈ বৃহৎ উপাদানবিধ কি ?

(ছ) "Assamese may be divided dialectically into Eastern Assamese and Western Assamese." কোনগৰাকী ভাষাবিদে এই মন্তব্য আগবঢ়াইছিল ?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) তুলনামূলক আৰু বিবোধমূলক ভাষাবিজ্ঞানৰ দুটা পাৰ্থক্য লিখা।

(খ) ধ্বনিৰ পৰিপূৰক প্ৰয়োগ (complementary distribution) বুলিলে কি বুজা ?

(গ) বাক্যত পদৰ অৰ্থগত যোগ্যতা বিচাৰ কৰা।

(ঘ) ভাষাৰ দ্বি-পাৰ্শ্বিকতা (diglossia) কি ?

৩। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) এককালিক ভাষাবিজ্ঞান (Synchronic linguistics)

(খ) যান্ত্ৰিক ধ্বনিবিজ্ঞান (Instrumental linguistics)

(গ) পিজিন (pidgin) আৰু ক্ৰেওল (Creole)

(ঘ) আকৃতি আৰু প্ৰাকৃতি

(ঙ) শব্দৰ আলংকাৰিক প্ৰয়োগ





৪। (ক) ধ্বনিৰ উচ্চাৰণত বাগিন্দ্ৰিয়ৰ ভূমিকা সম্পৰ্কে বিতংকৈ আলোচনা কৰা। ১০

অথবা

(খ) প্ৰাকৃতিগত বৰ্ণ পৰিৱৰ্তন (Morphophonemic alteration) বুলিলে কি বুজা ? অসমীয়া ভাষাত এনে পৰিৱৰ্তনৰ উদাহৰণ দাঙি ধৰা। ৫+৫=১০

৫। (ক) ভাষাবিজ্ঞানক বিজ্ঞান আখ্যা দিয়াৰ যুক্তিযুক্ততা বিচাৰ কৰি ইয়াৰ শাখা বিভাজন সম্পৰ্কে আলোচনা কৰা। ৫+৫=১০

অথবা

(খ) শব্দাৰ্থ বিজ্ঞান কাক বোলে ? শব্দৰ অৰ্থ পৰিৱৰ্তনৰ কাৰণসমূহ উদাহৰণসহ আলোচনা কৰা। ২+৮=১০

৬। (ক) বাক্যতত্ত্ব (syntax) বুলিলে কি বুজা ? বাক্যৰ গঠনত আসত্তি বিচাৰৰ (Immediate constituent analysis) গুৰুত্ব খৰচি মাৰি আলোচনা কৰা। ২+৮=১০

অথবা

(খ) সামাজিক স্তৰভেদে ভাষাৰ ভিন্নতা কেনেধৰণৰ হ'ব পাৰে, উদাহৰণসহ আলোচনা কৰা। ১০

★★★



Scanned with OKEN Scanner

**2020**

ELECTIVE ASSAMESE

Paper : 6.1

*Full Marks* : 80

*Time* : 3 hours

Central Library
Baksa
Pin-781320
Estd. 1983
Salbari college, Salbari

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×১০=১০

(ক) "অয়ে দাৰুক, সত্বৰে ৰথ আনহু। কুণ্ডিনক চলিকহু এতিক্ষনে জাঞ্ছ।" কথাষাৰ কোনে কৈছিল?

(খ) 'বিশ্বৰূপ দৰ্শন' পাঠটো ক'ৰ পৰা লোৱা হৈছে?

(গ) 'ৰামৰ বন গমন' পাঠটো 'ৰামায়ণ'ৰ কোনটো কাণ্ডত আছে?

(ঘ) 'ত্ৰিপুৰাত মদন পূজাৰ আড়ম্বৰ আৰু মোট খেলাৰ কৌতুক' পাঠটোৰ লেখক কোন?

(ঙ) হেমচন্দ্ৰ বৰুৱাৰ পিতৃৰ নাম কি আছিল?

(চ) হেমচন্দ্ৰ বৰুৱাৰ 'অসমীয়া ভাষাৰ ব্যাকৰণ' কিমান চনত প্ৰকাশ পাইছিল?

(ছ) "সেইধাৰ মোৰ ডিঙিৰ সোণৰ শিকলি" বুলি বৰবৰুৱাই কোনখন নৈৰ কথা কৈছিল?

(জ) *Divina Commedia* কোনে লিখিছিল?

(ঝ) 'করুণ ৰস' কোনটো স্থায়ীভাৱৰ পৰা উদ্ভৱ হয়?

(ঞ) ভৰত মুনিয়ে 'নাট্যশাস্ত্ৰ'ত কেইবিধ ৰসৰ উল্লেখ কৰিছিল?

২। চমু উত্তৰ লিখা : ২×৫=১

(ক) "হে গুৰু, তুহু পাঠ কৰহ, হামু শুনিয়ে ৰহু।" বুলি কোনে, কাক কৈছিল?

(খ) "তুমি সূৰ্য্যবংশৰ শিৰোমণি হুয়া জেবে সত্য চড়াহ, উপৰি বংশ সমে তেবে নৰকে ভুঞ্জিবা।" বুলি কোনে, কাক উদ্দেশ্যি কৈছিল?

(গ) বৰবৰুৱাই 'মোৰ গামখাৰুযোৰ' বুলি কোন দুখন নৈৰ কথা কৈছিল?

(ঘ) সাহিত্যত করুণ ৰসক কি দুটা ভাগত ভাগ কৰা হৈছে?

(ঙ) বেজবৰুৱাৰ দুখন ধেমেলীয়া নাটৰ নাম লিখা।

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২

(ক) রুক্মিণীয়ে কাৰ হাতত কৃষ্ণলৈ পত্ৰ দি পঠিয়াইছিল আৰু তেওঁ কৃষ্ণৰ দৰ্শন পোৱাৰ পিছত কি কৈছিল, নিজৰ ভাষাত লিখা।





(খ) 'ৰামৰ বন গমন'ত লক্ষ্মণৰ চৰিত্ৰটো কিদৰে চিত্ৰিত হৈছে, লিখা।

(গ) ভট্টদেৱৰ গদ্যৰ পাঁচটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) 'আত্মজীৱন চৰিত'ত হেমচন্দ্ৰ বৰুৱাই বিধবা বিবাহৰ সপক্ষে কি যুক্তি আগবঢ়াইছে, লিখা।

(ঙ) তোমাৰ পাঠ্যৰ আধাৰত বাণীকান্ত কাকতিৰ গদ্যৰীতি সম্পৰ্কে চমুকৈ লিখা।

(চ) "ভগৱান কৃষ্ণৰ প্ৰতি ভক্তৰ ৰতি পাঁচভাৱে প্ৰকাশ পায়।" এই পাঁচভাৱৰ পৰা কি পাঁচ প্ৰকাৰ ভক্তি ৰসৰ সৃষ্টি হয়, লিখা।

৪। (ক) 'শ্ৰীকৃষ্ণৰ পূৰ্বৰাগ' পাঠটো ক'ৰ পৰা লোৱা হৈছে? ইয়াত বৰ্ণনা কৰা কথাখিনি নিজৰ ভাষাত লিখা। ১+৯=১০

*অথবা*

(খ) 'বিশ্বৰূপ দৰ্শন' অধ্যায়টো ক'ৰ পৰা লোৱা হৈছে? শ্ৰীকৃষ্ণৰ বিশ্বৰূপৰ বৰ্ণনা পাঠটোত কেনেদৰে দিছে? ১+৯=১০

৫। (ক) 'ৰামৰ বন গমন' পাঠটোৰ আধাৰত ৰঘুনাথ মহন্তৰ গদ্যৰীতি সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

(খ) 'ত্ৰিপুৰাত মদন পূজাৰ আড়ম্বৰ' পাঠটোত থকা মোট খেলাৰ বৰ্ণনাখিনি নিজৰ ভাষাত দিয়া।



Scanned with OKEN Scanner

৬। (ক) 'বৰবৰুৱাৰ বিমান বিহাৰ' পাঠটোৰ আধাৰত বেজবৰুৱাৰ অসম প্ৰীতি কিদৰে প্ৰকাশ পাইছিল, নিজৰ ভাষাত লিখা। ১০

*অথবা*

(খ) 'আত্মজীৱন চৰিত' পাঠটোৰ পৰা হেমচন্দ্ৰ বৰুৱাৰ শিক্ষা আৰু সাহিত্য জীৱন সম্পৰ্কে যিখিনি জানিব পাৰি, লিখা।

৭। (ক) 'সাহিত্যত কৰুণ ৰস' প্ৰবন্ধটোত লিখকে কৰুণ ৰসকে আটাইতকৈ মধুৰ ৰস বুলি প্ৰতিপন্ন কৰিবলৈ কিদৰে চেষ্টা কৰিছে, লিখা। ১০

*অথবা*

(খ) অঙ্কীয়া নাটৰ ৰস সম্পৰ্কে প্ৰবন্ধকাৰে কোৱা কথাখিনি নিজৰ ভাষাত লিখা।

★★★





**2020**

## ELECTIVE ASSAMESE

Paper : 6.2

*Full Marks* : 80

*Time* : 3 hours

Central Library
Baksa
Pin-781320
Estd. 1983
Salbari College, Salbari

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) অসমীয়া চুটিগল্পৰ বিকাশত উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা 'আৱাহন' কাকতৰ প্ৰথম সম্পাদক কোন আছিল?

(খ) জ্ঞানপীঠ বঁটা লাভ কৰা প্ৰথম অসমীয়া উপন্যাসখনৰ নাম কি?

(গ) 'গল্পাঞ্জলি' নামৰ গল্পপুথিখনৰ গল্পকাৰজনৰ নাম কি?

(ঘ) শীলভদ্ৰৰ প্ৰকৃত নাম কি আছিল?

(ঙ) জলনাৰায়ণ কোন?

(চ) নদৰামৰ সৈতে লেখকৰ চিনাকি ক'ত হৈছিল?

(ছ) ১৯৮০ চনত 'পৃথিৱীৰ অসুখ' নামৰ গল্প-সংকলনৰ বাবে কোনে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?



Scanned with OKEN Scanner

(জ) 'ডাৱৰ আৰু নাই' উপন্যাসখন উজনি অসমৰ কোনখন চহৰৰ পটভূমিত ৰচিত?

(ঝ) বাখৰ আৰু অনুপমাৰ জীয়েকৰ নাম কি?

(ঞ) ড০ ভবেন্দ্ৰনাথ শইকীয়াই ৰচনা কৰা এখন কিশোৰ উপযোগী গ্ৰন্থৰ নাম লিখা।

২। চমু উত্তৰ লিখা : ২×৫=১

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ চুটিগল্পৰ দুটা বৈশিষ্ট্য লিখা।

(খ) 'মাকনৰ গোঁসাই' গল্পটোৰ মূল চৰিত্ৰ দুটাৰ নাম কি কি?

(গ) নদৰামে ক'ত, কাৰ সৈতে যুদ্ধ কৰিছিল?

(ঘ) বাৰিষা গল্পত উল্লেখ থকা দুজন মাছ বেপাৰীৰ নাম লিখা।

(ঙ) 'ডাৱৰ আৰু নাই' উপন্যাসত কোনখন বিশ্বযুদ্ধৰ কথা বৰ্ণিত হৈছে? সেইখন যুদ্ধত এটা ৰবাব টেঙাৰ দাম কিমান হোৱা বুলি উপন্যাসখনত আছে?

৩। তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা (যি কোনো চাৰিটা) : ৫×৪=২

(ক) জনজাতীয় জীৱনৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা অসমীয়া উপন্যাস সন্দৰ্ভত এটি টোকা লিখা।

(খ) 'মধুপুৰ বহুদূৰ' গল্পটোত থকা তগৰ বহুৰূপীৰ চৰিত্ৰটো আলোচনা কৰা।





(গ) 'মধুপুৰ বহুদূৰ' গল্পৰ চন্দ্ৰ শীল নামৰ ব্যক্তিজনৰ কৰ্মৰ বিচিত্ৰতা সম্পৰ্কে আলোচনা কৰা।

(ঘ) 'ডাৱৰ আৰু নাই' উপন্যাসৰ বাখৰ আৰু অনুপমা চৰিত্ৰ দুটিৰ বিশ্লেষণ কৰা।

(ঙ) যুদ্ধৰ পৰা ঘূৰি আহি নদৰামে নিজৰ ঘৰত উপস্থিত হৈ কি 'মামলা'ৰ মীমাংসা কৰিবলৈ বিচাৰিছিল? 'মামলা'টোৰ মীমাংসা কৰিবলৈ নদৰামে কি কি কৰিছিল?

(চ) 'বাৰিষা' গল্পটোৰ নামকৰণৰ তাৎপৰ্য লিখা।

৪। (ক) আবাহন যুগৰ চুটিগল্পৰ বিষয়ে এটি নিবন্ধ যুগুত কৰা। ১০

অথবা

(খ) যুদ্ধোত্তৰ (২য় বিশ্বযুদ্ধৰ পিছৰ) যুগৰ অসমীয়া উপন্যাসৰ বিষয়ে আলোচনা কৰা।

৫। (ক) 'নদৰাম' গল্পটোত জনজাতীয় জীৱনৰ ত্যাগ, সৰলতা আৰু উদাৰতাৰ ছবি কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

অথবা

(খ) 'মাকনৰ গোঁসাই' গল্পৰ আধাৰত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ চুটিগল্পৰ বৈশিষ্ট্যবোৰ লিখা।



Scanned with OKEN Scanner

৬। (ক) ‘মধুপুৰ বহুদূৰ’ গল্পত মধুপুৰৰ অতীত আৰু বৰ্তমানৰ ৰূপ কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা। ১০

অথবা

(খ) ‘বাৰিষা’ গল্পত গ্ৰাম্য জীৱনৰ ছবি কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

৭। (ক) ‘ডাৱৰ আৰু নাই’ উপন্যাসখনত যুদ্ধৰ ভয়াবহতা কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

অথবা

(খ) যুদ্ধই অসমৰ ৰাজনৈতিক আৰু সামাজিক জীৱনলৈ কেনে পৰিৱৰ্তন আনিছিল, আলোচনা কৰা।

★★★



Scanned with OKEN Scanner